কৰোঁতেও ভট্ট বামনে এই কথাৰ গুৰুত্বলৈ লক্ষ্য ৰাখিছিল বুলি অনুমান হয়।

## অলংকাৰৰ মূল অত্যুক্তি আৰু বক্রোক্তি

অলংকাৰ মাত্রকতে অত্যুক্তি আৰু বক্রোক্তিৰ অস্তিত্ব থকা বুলি প্রায় সকলো আলংকাৰিকে কেতিয়াবা প্রকাৰান্তৰে আৰু কেতিয়াবা স্পষ্টভাষাৰে স্বীকাৰ কৰিছে। কুন্তকে বক্রোক্তিক কাব্য-জীৱন বুলিয়ে কৈছে। ভামহেও 'বক্রাভিধেয়া শব্দোক্তিঃ' বাক্যৰ অভীষ্ট অলংকাৰ বুলি বক্রোক্তিক অলংকাৰৰ গুৰিবস্তু বুলি স্বীকাৰ কৰিছে। এই বক্রোক্তিকে সাধাৰণ ভাষাত আমি কথাৰ পাক বা আওপকীয়া কথা বুলিও অভিহিত কৰিছোঁ। অত্যুক্তি বা অতিশয় উক্তিও সেইদৰে বহুত অলংকাৰৰ গুৰিবস্তু, ইয়াত সন্দেহ নাই। দণ্ডীয়ে বাগীশ্বৰসকলৰ আদৃত 'অলংকাৰান্তৰাণাং পৰায়ণম্'— অন্যান্য বিবিধ অলংকাৰৰ পৰমাশ্রয় বুলি অতিশয়োক্তিৰ গৌৰৱ কীৰ্তন কৰিছে।[৬] গুণাতিশয় যোগত সকলো অলংকাৰেই প্রকাৰান্তৰে অতিশয় উক্তি বুলি প্রাচীন আলংকাৰিক ভামহেও স্পষ্টতয়া উনুক দি গৈছে।[৭]

শ্রীকৃষ্ণ মথুৰালৈ যোৱাৰ পিছত বিৰহকাতৰা গোপীয়ে কৈছে ঃ

"গধূলি গোপাল আসে দেখি এড়াও ক্লেশ।
নিদাৰুণ বিধি তাতো স্রজিলা নিমেষ।।" — কীৰ্তন

শ্ৰীকৃষ্ণক চাই হেঁপাহ নপলায়— এই কথাষাৰকে বুজাবলৈ গৈ গোপীয়ে বিধাতা নিদাৰুণ বুলি আক্ষেপ কৰিছে, কাৰণ তেওঁ চকুত নিমেষৰ সৃষ্টি কৰিলে। চকুত যদি নিমেষ নাথাকিলহেঁতেন তেতিয়া নিষ্পলক দৃষ্টিৰে একেৰাহে চাই চাই থাকি কিজানি হেঁপাহ পলালহেঁতেন। শ্ৰীকৃষ্ণ দৰ্শন এতিয়াও অপৰিতৃপ্ত এই কথাষাৰকে বিধাতাৰ প্ৰতি আক্ষেপৰদ্বাৰা আওপকীয়াকৈ কোৱা হৈছে। ফলস্বৰূপে কথাষাৰত গোপী-হৃদয়ৰ ব্যাকুলতা তীব্ৰতৰ হৈ ফুটি ওলাইছে। এইটোৱেই কবিৰ বক্ৰব্যাপাৰ। এই বক্ৰব্যাপাৰৰপৰাই এটা মনোহাৰিণী স্থিতিৰ কল্পনা শুনোতাৰ মনলৈ আহে। অলংকাৰ-শাস্ত্ৰত এনে বিধ বক্ৰতাক পৰ্যায়োক্তি বোলে। আকৌ ঃ

“কেলৈ ফুলিলি ৰূপহী মদাৰ ঐ
কেলৈ পেলালি কলি
গুৰুতো নালাগে ভকতত নালাগে
থাক তলে ভৰি সৰি।”

আপোনাকে উজাৰ কৰি ফুলা মদাৰৰ সৌন্দৰ্যক উদ্দেশ্য কৰি কবিয়ে দুঃখ কৰিছে যে এনে ৰমকজমক ফুলকো গুৰুভকতৰ কামত লগোৱা নহয়। পিছে মদাৰ ফুল উপলক্ষ্যহে, গাঁৱলীয়া কবিৰ লক্ষ্য হৈছে পিতৃগৃহত অনুপভুক্তা হৈ থকা ৰূপহী যুৱতী। মদাৰক ৰূপহী বুলি সম্বোধন কৰা আৰু গুৰু ভকতত নালাগে বোলা কথাষাৰৰপৰাই প্ৰকৃত কথাটো ধৰা পৰিছে। কবিয়ে পোনে পোনে এজনী গাভৰুক সম্বোধন নকৰি মদাৰ ফুলত লগাই কথাষাৰ কৈ মদাৰ ফুলৰ লগত ৰূপহী গাভৰুৰ তুলনা এটা দাঙি ধৰি ভাবটো ৰমণীয় কৰিছে। ইও কথাৰ পাক। অলংকাৰ শাস্ত্ৰৰ মতে এনেবিধ বক্ৰোক্তিক অপ্ৰস্তুত প্ৰশংসা বোলা হয়।

“উৎপাদয়তি লোকস্য প্ৰীতিং মলয়মাৰুতঃ।
ননু দাক্ষিণ্যসম্পন্নঃ সৰ্বস্য ভৱতি প্ৰিয়ঃ।”

— মলয়পৱনে মানুহৰ মনত প্ৰীতি জন্মায়। নজন্মাবই বা কিয়? দাক্ষিণ্যযুক্ত জন সকলোৰে প্ৰিয় হয়। ইয়াত কথা কলে মলয় পৱনৰ কিন্তু সামৰণি মাৰিলে দাক্ষিণ্য অৰ্থাৎ দানশীল মানুহৰ কথা কৈ। কথা দুটাৰ সম্বন্ধ ক'ত? 'দাক্ষিণ্য' শব্দৰ দুটা অৰ্থ হয়— দক্ষিণফালৰপৰা অহা আৰু দানশীলতা। মলয় মাৰুতৰ বেলিকা অৰ্থ হ'ল দক্ষিণ ফালৰপৰা অহা আকৌ সেই একে শব্দৰদ্বাৰাই দানশীল মানুহ যে সকলোৰে প্ৰিয় হয় এই কথাও লগতে কোৱা হ'ল। ইয়াত শ্লেষযুক্ত

অৰ্থান্তৰন্যাস অলংকাৰ, কিন্তু মূলতে কথাত পাক লগোৱাৰপৰাহে অলংকাৰ হৈছে। দাক্ষিণ্য শব্দই এটা অৰ্থ কৈ আকৌ পাকেপ্ৰকাৰে অন্য অৰ্থ এটা বুজাইছে, — ই বক্ৰোক্তি নহে কি? এইদৰে বেলেগ বিশেষত্বৰ কাৰণে সুকীয়া নাম দিলেও বহুত অলংকাৰৰ পম খেদি গলে শেহান্তত ভাব গুৰি-গছ বক্ৰোক্তি বা আওপকীয়া কথাৰ ধৰত পামগৈ।

অত্যুক্তি ঃ আন এবিধ অলংকাৰ আছে যিবোৰৰ গুৰিতে আছে অত্যুক্তি, বঢ়াই কোৱা বা ৰহণ লগোৱা কথা। শব্দাৰ্থ-বৈচিত্ৰ্য অতিশয়োক্তিৰ অধীন, ৰহণ সানি বা লগাই কোৱাৰ ওপৰতে শব্দাৰ্থ বৈচিত্ৰ্য নিৰ্ভৰ কৰে। প্ৰায় সকলো অলংকাৰতে কম বেছি পৰিমাণে অতিশয়োক্তি থাকেই। 'মুখ-কমল' বুলিলে আমি ৰূপক অলংকাৰ বুলি কওঁ, কিন্তু ইয়াৰো গুৰিতে চাবলৈ গলে অত্যুক্তি নহয় কি? মুখখন জানো পদুম হব পাৰে? পদুম আৰু মুখ দুটা পৃথক বস্তু দুয়োটা একে বুলি কোৱাই অত্যুক্তি। কবিয়ে মুখ আৰু কমলৰ সাদৃশ্যৰ ভেটিত অভেদত্ব কবিৰ অত্যুক্তি সেইদৰে উপমাও গমি চালে এক প্ৰকাৰ অত্যুক্তিহে।

"শ্যাম ৰুচিৰ তনু পীত পিচোৰা।
নবীন নীৰদ যচ বিজুৰি উজোৰা।"

নতুনকৈ উঠি অহা ক'লীয়া মেঘ এচপৰাত বিজুলীৰ চিকমিকনিয়ে যি শোভা কৰে কৃষ্ণগোসাঁইৰ শ্যাম তনুত হালধীয়া বসনেও তেনে শোভাৰ বিস্তাৰ কৰিছে। ইয়াত মেঘ বিজুলীৰ শোভা আনি শৰীৰ আৰু কাপোৰত লগোৱাটো কল্পনাৰ বিস্তাৰ, সাদৃশ্যত ৰং চৰোৱা আৰু পৰিশেষত অত্যুক্তিয়েই বুলিব লাগিব। এইদৰে সৰহখিনি অলংকাৰতে অত্যুক্তিৰ বোল অলপ নহয় অলপ লাগি থাকেই। অতিশয়োক্তিক আন অলংকাৰৰ পৰমাশ্ৰয় বোলোতে পৰমাচাৰ্য দণ্ডীয়ে অত্যুক্তি কৰা নাই।

পিছে অলংকাৰ শাস্ত্ৰত বক্ৰোক্তি আৰু অতিশয়োক্তি বুলি দুটা সুকীয়া অলংকাৰো আছে। সকলো অলংকাৰতে যদি কম বেছি পৰিমাণে বক্ৰোক্তি বা অত্যুক্তি আছেই তেনেহলে সুকীয়াকৈ বক্ৰোক্তি আৰু অতিশয়োক্তি বুলি দুটা বেলেগ অলংকাৰ হবলৈ পালে কেনেকৈ? এই প্ৰশ্নৰ উত্তৰো আচাৰ্যসকলে নিদয়াকৈ থকা নাই। অতিশয়তাৰ উক্তি বা বক্ৰব্যাপাৰযুক্ত উক্তি— এই অন্বয়ৰ ফালৰপৰা গমি চালে প্ৰায়বিলাক অলংকাৰতে বক্ৰোক্তি বা অত্যুক্তি অলপ বিচাৰি পামেই, কিন্তু সেইবোৰক বৈচিত্ৰ্য বিশেষৰ আলম লৈ ভিন্ ভিন্ নাম দি সুকীয়া অলংকাৰৰূপে গ্ৰহণ কৰোঁ। উপমাত সাদৃশ্য, ৰূপকত ভেদ নুলুকুৱাকৈ অভেদ,

সন্দেহত সন্দেহ, অৰ্থান্তৰন্যাসত সমৰ্থন, শ্লেষত একেটা শব্দৰে দুটা বা ততোধিক অৰ্থ, এইদৰে একোটা বিশেষত্বক আশ্ৰয় কৰি অলংকাৰৰ ব্যক্তিত্ব নিৰূপণ কৰা হৈছে। যি অলংকাৰত এনে বিশেষত্ব নাথাকি কেৱল বক্ৰোক্তিয়েই একমাত্ৰ বিশেষত্ব বা কেৱল অত্যুক্তিয়েই একমাত্ৰ বিশেষত্ব যাৰ কাৰণে ৰমণীয় অৰ্থৰ সৃষ্টি হয় তাক কেতিয়া বক্ৰোক্তি অলংকাৰ বা অতিশয়োক্তি অলংকাৰ বুলি সুকীয়া অলংকাৰৰূপে গ্ৰহণ কৰা হয়। বক্ৰোক্তি অলংকাৰৰ এটা উদাহৰণ লোৱা যাওকঃ

"কস্ত্বং শূলী মৃগয় ভেষজং নীলকণ্ঠঃ প্ৰিয়েহহং
কেকামেকাং কুৰু পশুপতিঃ লাঙ্গুলং তে কথং ন।"— ইত্যাদি

লক্ষ্মীদেৱীৰ উপহাসত জৰ্জৰিত হৈ মনৰ দুখত পাৰ্বতীয়ে দুৱাৰ মাৰি সোমাই আছে। শিৱ ক'ৰবাৰপৰা ঘূৰিপকি আহি দুৱাৰত খুন্দিয়াই মাত দিছে। পাৰ্বতীয়ে ভিতৰৰপৰাই সুধিছে— কস্ত্বং?

শিৱই উত্তৰ দিছে — শূলী।

পাৰ্বতীয়ে শূলী মানে ত্ৰিশূলধাৰী বুলি জানিও নজনাৰ ভাও ধৰি কৈছে— 'মৃগয় ভেষজম' বেজ বিচাৰি যোৱা। শূলী মানে শূল ৰোগ থকা লোক, এই অৰ্থও হয়।

শিৱই তেতিয়া আকৌ ক'লে— 'নীলকণ্ঠঃপ্ৰিয়েহহম্' মই নীলকণ্ঠ।

পাৰ্বতীয়ে নীলকণ্ঠ মানে ম'ৰা চৰাই অৰ্থ কৰি আকৌ ছল কৰি কলে— তেনেহলে হাবিলৈ যোৱা কেকা কেকা কৰাগৈ।

শিৱই কলে — মই পশুপতি।

শিৱই পশুপতি বুলিলতো নিচিনা ভাওধৰি পশুপতি মানে বনৰজা (বাঘ) ধৰি পাৰ্বতীয়ে ক'লে— 'লাংগুলং তে কথং ন'— তোমাৰ নেগুৰ নাই কেলৈ?

এই শ্লোকটোত শ্লেষ শব্দালংকাৰ থাকিলেও ইয়াৰ চমৎকাৰিতাৰ প্ৰধান কাৰণ হৈছে পাৰ্বতীয়ে আওপকীয়া অৰ্থ কৰি আওপকীয়া উত্তৰ দিয়াৰপৰা উদ্ভৱ হোৱা উক্তি বৈচিত্ৰ্য। গতিকে ইয়াক বক্ৰোক্তি অলংকাৰ বুলি সুকীয়াকৈ এখন আসন দিয়া হৈছে। অতিশয়োক্তিৰ উদাহৰণ এটা লোৱা যাওক ঃ

"স্তনয়োৰ্জঘনস্যাপি মধ্যে মধ্যং প্ৰিয়ে তব।
অস্তি নাস্তীতি সন্দেহো ন মেহদ্যাপি নিৱৰ্ত্ততে।"

— হে প্ৰিয়ে, তোমাৰ উন্নত স্তন যুগল আৰু বিশাল জঘনৰ মাজত তোমাৰ মধ্যদেশ কঁকাল আছে নে নাই, সেই সন্দেহ মোৰ আজিও মাৰ যোৱা নাই।

ইয়াত কঁকাল আছে নে নাই, এই সন্দেহ থকা সম্ভৱ নহয়, তথাপি এই অত্যুক্তিয়ে তন্বী গাভৰুৰ মধ্যভাগৰ অতিকৃশতাৰ সূচনি দিছে। এই উক্তিৰ বিচিত্ৰতা অতিশয়োক্তিতে, অন্য বিশেষত্ব নাই, গতিকে এনে অলংকাৰক অতিশয়োক্তি নাম দি সুকীয়া অলংকাৰ ৰূপে গ্ৰহণ কৰা হৈছে।